

# স্বদেশ

❑ স্বদেশ ❑ ১ম বছৰ ❑ ২ য় সংখ্যা

❑ ৭ অক্টোবৰ '৯৮ ❑ মূল্যঃ দহ টকা



এই সংখ্যাৰ আকৰ্ষণ



- 'মৃত্যুঞ্জয়'ৰ মহানায়ক মহদা গোসাঁইৰ মনৰ কথা
- ইছমাইল হোছেইনৰ বিষ্ণুৰাভাৰ দৃষ্টিত শংকৰদেৱ
- পদ্ম বৰকটকী আৰু আব্দুল মালিকৰ নিয়মিত শিতান
- নীলিমা দত্ত, অৰ্চনা পূজাৰীৰ বিশেষ ৰচনা
- যোগেশ দাস, অজাত শত্ৰুৰ ধাৰাবাহিক উপন্যাস আৰু তুৰঙ্গৰ কবিতা

# স্বদেশ

**সম্পাদক ঃ**

*যতীন্দ্ৰ কুমাৰ বৰগোহাঞি*

**সহযোগী ঃ**

*ৰাজীৱ দত্ত*

*প্ৰণৱ প্ৰিয়াংকুশ দত্ত*

*নাগেন বৰা*

**অলংকৰণ ঃ**

*তপন চাংকাকতি*

*(অবৈতনিক)*

**প্ৰচাৰ আৰু বিতৰণ ঃ**

*মানসজ্যোতি শইকীয়া*

**বিজ্ঞাপন ঃ**

*উদয়শংকৰ ভূঞা*

**ব্যৱস্থাপক ঃ**

*শিৱপ্ৰসাদ বৰুৱা*

**ছপা ঃ**

*পূৰ্বশ্ৰী অফছেট প্ৰিণ্টাৰ্ছ*

*তৰাজান জি, জি, ৰ'ড*

*যোৰহাট - ১*

**প্ৰকাশক ঃ**

*পূৰ্বশ্ৰী প্ৰিণ্টাৰ্ছ এণ্ড*

*পাব্লিছাৰ্ছ প্ৰাঃ লিমিটেড*

*তৰাজান জি, জি, ৰ'ড*

*যোৰহাট- ৭৮৫০০১*

**ফোন ঃ**

*০৩৭৬-৩২১৭১৮*




# বিষয়সূচী


অধ্যয়ন বিমুখিতাৰ বিৰুদ্ধে - ৩

**প্ৰবন্ধ ঃ** মহাপুৰুষৰ জন্ম-জয়ন্তী আৰু শ্ৰদ্ধাৰ্ঘ নিবেদন
প্ৰফুল্ল চন্দ্ৰ বৰা - ৪

**প্ৰবন্ধ ঃ** বিষ্ণু ৰাভাৰ দৃষ্টিত শংকৰদেৱ
ইছমাইল হোছেইন - ৬

**আচুতীয়া সাক্ষাৎকাৰ ঃ** 'মৃত্যুঞ্জয়'ৰ মহানায়ক মহদানন্দ দেৱগোস্বামী
ৰাজুমণি শইকীয়া - ৮

**জন্ম-শতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ ঃ** হেমিংৱে আৰু ফক্‌নাৰ
ৰাজীৱ দত্ত - ১০

**অভিমত ঃ** এখন বাৰ্তালোচনীৰ সন্ধানত
যোগেশ দাস - ১৩

**ব্যক্তিগত ঃ** মই লিখোঁ কিয় ?
নীলিমা দত্ত - ১৫

অসম কন্সেনট্ৰেশান কেম্প
পদ্ম বৰকটকী - ১৬

**বাংলা প্ৰবন্ধ ঃ** আফ্ৰো-আমেৰিকান নাৰী ঃ তেওঁলোকৰ অস্তিত্ববাদী আন্দোলন
অনুবাদ ঃ সাবিত্ৰী শইকীয়া বৰুৱা - ১৭

**গল্প ঃ** বঘুমলা
ৰতিপ্ৰভা গগৈ - ২১

**চিন্তন ঃ** পুৰাতন প্ৰজ্ঞা আৰু সাম্প্ৰতিক সমাজ
ড০ ৰাতুল চন্দ্ৰ বৰা - ২৩

**গল্প ঃ** স্বপ্নভংগ
জোনমণি বৰুৱা - ২৫

**সাহিত্য ঃ** সমালোচনাত্মক প্ৰবন্ধ
ড০ অৰ্চনা পূজাৰী - ২৮

**গল্প ঃ** আশীৰ্বাদ
ৰূপম কুমাৰ বৰুৱা - ৩১

**স্মৰণ ঃ** ৰাজপথৰ কবি দিব্যজ্যোতি গগৈ
মুক্তি গগৈ - ৩৩

তুৰস্কৰ কবিতা
অনুবাদ ঃ দিলীপ তালুকদাৰ - ৩৫

**কবিতা ঃ** মৃদুল বৰুৱা, ৰোহিনী কুমাৰ পাঠক, প্ৰণৱ শইকীয়া - ৩৬

**গ্ৰন্থ সমালোচনা ঃ** সাম্প্ৰতিক লেখিকাৰ গল্প
চিন্ময় চৌধুৰী - ৩৭

**ধাৰাবাহিক উপন্যাস ঃ** অগ্নিকাণ্ড
যোগেশ দাস - ৩৯


**ধাৰাবাহিক উপন্যাস ঃ** বিক্ৰমাদিত্য উপপথ
অজাত শত্ৰু - ৪২

**সাংস্কৃতিক ঃ** এজন শিল্পী আৰু কিছু প্ৰাসংগিক চিন্তা
দীপালী ভট্টাচাৰ্য বৰুৱা - ৪৫

**নাটক ঃ** অভিনয় শিক্ষা কিছু প্ৰাসংগিক চিন্তা
শৈলেন কুমাৰ নাথ - ৪৬

তিতাফুল
চৈয়দ আব্দুল মালিক - ৪৮

# অসম কন্সেনট্ৰেশ্যন কেম্প



পদ্ম বৰকটকী

দেশৰ পৰিস্থিতিক উহ্য ৰাখি, পৰম্পৰা মানি দূৰ্গাপূজা বিধিমতে পাৰ হৈ যাব। আজি ২৭ ছেপ্টেম্বৰ, দেৱীৰ ষষ্ঠীৰ পূজা। আজিৰ সংবাদপত্ৰৰ মতে, গুৱাহাটীত প্ৰাক্তন আলফা নেতা ঋষিৰাজক গুলিয়াই হত্যা, নলবাৰীত সেনাই হত্যা কৰিলে দুজন আলফা নেতাক, গুৱাহাটীত অপহৃত কয়লা ব্যৱসায়ী, মন্ত্ৰী ভৰেনৰ ভাতৃসহ দুজনক অপহৰণ, দুলিয়াজানত গুলি খোৱা থানাৰ ভাৰপ্ৰাপ্ত পুলিচ বিষয়াৰ মৃত্যু, তিনিচুকীয়াত মৃতদেহ উদ্ধাৰ, ধনশিৰিত অপহৃতৰ মৃতদেহ উদ্ধাৰ, ঢেকীয়াজুলিত লোকনায়ক অমিয়কুমাৰ দাস মহাবিদ্যালয়ত দু-দল ছাত্ৰৰ প্ৰচণ্ড সংঘৰ্ষ......ইত্যাদি। যুদ্ধক্ষেত্ৰৰ খবৰ নে অৰাজক দেশৰ খবৰ নে দেৱীৰ অকাল বোধনৰ খবৰ? পৰিস্থিতিক উপেক্ষা কৰি এনেকৈ পৰম্পৰা মানি উৎসৱৰ দিন আহে, পাৰ হৈ যায়। আমি সকলো বৰ্তমান অসম নামৰ কন্সেনট্ৰেশান কেম্পত বন্দী। ইয়াত ঘটা সকলো ঘটনা স্বাভাৱিক, পৰিকল্পিত, অপ্ৰতিৰোধ্য। পূজা উৎসৱত আনকি চৰকাৰী চাকৰিয়ালৰ দৰমহাও নাই। পৰিস্থিতিৰ এই উৎপাত ক্ষন্তেক পাহৰিবলৈ আমি দেৱ-দেৱীৰ উৎপত্তিৰ উহ খান্দি চাওঁ আহক।

পূজাৰ বতৰত দূৰ্গা আৰু মহিষাসুৰেই প্ৰধান। দুৰ্গা মূৰ্তিত দুৰ্গা আৰু মহিষাসুৰৰ লগতে শাৰী পাতি থোৱা বাকীবোৰ দেৱী-দেৱতাৰ এই পূজাৰ লগত কোনো সম্পৰ্ক নাই, একমাত্ৰ দুৰ্গাৰ আত্মীয় হোৱাৰ বাহিৰে।

আমাৰ দেৱতাসকল নিশ্চয় কৌতুক প্ৰিয় আছিল। নহ'লে নিজে সমস্যা সৃষ্টি কৰি সেই সমস্যা লৈ হেতালি খেলিব কেনেকৈ পাৰে? আৰু এটা কথা মনত ৰখা দৰ্কাৰ। তথাকথিত আৰ্যসকলে নিজক নিশ্চয় দেৱতা বুলি বৰ্ণাই গৈছে। আৰু আৰ্য নোহোৱা সকলো থলুৱাক অসুৰ, দানৱ আদি বুলি বৰ্ণাই গৈছে।

মহিষাসুৰ হ'ল ৰম্ভ নামৰ অসুৰৰ পুতেক। ৰম্ভই তপস্যা কৰি মহাদেৱ শিৱক তুষ্ট কৰি ত্ৰিলোক বিজয়ী পুত্ৰ লাভ কৰে। সেই পুত্ৰই মহিষাসুৰ। দেৱতা শিৱৰ বৰতে মহিষাসুৰে স্বৰ্গ জয় কৰি দেৱতাবোৰক স্বৰ্গৰপৰা খেদি দিয়ে। পলাতক দেৱতা আৰু ৰাজ্যচ্যুত দেৱৰাজ ইন্দ্ৰই গৈ বিষ্ণুদেৱতাৰ কৰুণা বিচাৰিলে, অসুৰক খেদাবলৈ। বিষ্ণুৱে ক'লে যে শিৱৰ বৰত এই অসুৰক কোনো পুৰুষ, দেৱতাই হত্যা কৰিব নোৱাৰে। নাৰীয়েহে পাৰিব। মহিষাসুৰক খতম কৰাৰ উপায় হিচাপে বিষ্ণুৱে ক'লে যে, এতিয়া সকলো দেৱতাই নিজ স্ত্ৰীৰ লগত মিলিত হৈ প্ৰাৰ্থনা কৰিব লাগিব, যাতে তেওঁলোকৰ সামূহিক তেজৰপৰা এক দেৱীৰ উৎপত্তি হয়। সেই দেৱীয়েহে অসুৰ নিধন কৰিব পাৰিব। বিষ্ণুৰ বুদ্ধি মতে সকলো দেৱতাৰ তেজৰপৰা উৎপত্তি হয় তেজস্বিনী, অপূৰ্বসুন্দৰী দুৰ্গাৰ। দেৱতাসকলে সেই দেৱীৰ অষ্টাদশ হাতত নিজ নিজ অস্ত্ৰও অৰ্পণ কৰিলে। এই দেৱীয়ে মহিষাসুৰক তিনিবাৰ বধ কৰিব লগা হৈছিল। প্ৰথম দুবাৰ মায়াৰ বলত পুনৰ প্ৰাণ পাইছিল। প্ৰথমে বধ কৰিছিল উগ্ৰচণ্ডাৰূপে, দ্বিতীয় আৰু তৃতীয়বাৰ দশভূজা দুৰ্গাৰূপে। ৰাতি এবাৰ মহিষাসুৰে দেৱীক ভদ্ৰকালী ৰূপত সপোনত দেখি পূজা কৰিছিল। ভদ্ৰকালীক মহিষাসুৰে কৈছিল ঃ তুমি বধ কৰিবা বুলি মোৰ খেদ নাই। কিন্তু কথা হ'ল, মোৰ এই বল-বিক্ৰম সকলো অথলে যাব আৰু তুমি মানুহৰ পূজা পাবা। সেয়ে মোৰ দুখ। তেতিয়া দেৱীয়ে কৈছিলঃ যোগ্যজনে স্বীকৃতি পাবই লাগে। গতিকে উগ্ৰচণ্ডা, ভদ্ৰকালী আৰু দুৰ্গা, এই তিনি পূজাত তুমি সদায় মোৰ পদলগ্ন হৈ থাকিবা আৰু দেৱতা, ৰাক্ষস, মানুহে মোৰ লগতে তোমাৰো পূজা কৰিব (মনত ৰাখিব, পদলগ্ন হৈ থাকিলেহে অসুৰে পূজা পাব, ঠিক যেনেকৈ চৰকাৰৰ সমৰ্থক হৈ থাকিলে বঁটা-বাহন-নৈবেদ্য সকলো আহে)।

দেৱতাসকল কৌতুকপ্ৰিয়। দুৰ্গাদেৱীক এনেকৈ সৃষ্টি কৰিলে যে তেওঁৰ মোহনীয়া ৰূপ-সৌন্দৰ্যই অসুৰ কুলক অবাক কৰিলে। দুৰ্গাৰ ৰূপসৌন্দৰ্যৰ বৰ্ণনা শুনি মহিষাসুৰ ইমান অভিভূত হ'ল যে, দুৰ্গালৈ বিয়াৰ প্ৰস্তাৱ পঠালে। কৈ পঠালে, এই ত্ৰিলোকৰ অধিপতি হৈ থাকিবা, যদি তুমি মোক বিয়া কৰোৱা। দুৰ্গাই সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাৰ পাছতহে মহিষাসুৰ নিজে গৈছিল, দুৰ্গাক জয় কৰি বিয়া কৰাবলৈ। পুৰণি পুথিৰ বৰ্ণনাত সদায় শত্ৰুপক্ষৰ কিছু মুৰ্খালি দিয়া থাকে। ইয়াতো মহিষাসুৰ যে সকলো পুৰুষৰ হে অবধ্য, নাৰীৰ নহয়, সেই কথা বাপেকেও পুতেকক নক'লে আৰু পুতেকেও সেই বিষয়ে কোনো খবৰ নকৰিলে। আনকি শত্ৰুপক্ষ দেৱতাই কি যুদ্ধ-কৌশল হিচাপে নাৰীক পঠাইছে, সেই কথাও অসুৰৰ মনত নেখেলালে।

আগৰ দিনতো চাগৈ, যাৰ হাতত সকলো শাসন ক্ষমতা ন্যস্ত, তেওঁলোকেই নিশ্চয় দেৱতা আছিল। মাজে মাজে বিদ্ৰোহী প্ৰজাই ক্ষমতা দখল দিনদিয়কৰ বাবে কৰিলেও, পৰম্পৰাগতভাৱে শাসক দেৱতাই কৌশলেৰে সেইবোৰক উচিত শাস্তি দি খেদিছিল।

সেই মতে, এতিয়াৰ শাসকবৰ্গও দেৱতা, আমিহে অসুৰ, ৰাক্ষস আদি। আমাৰ বিৰুদ্ধেই তেওঁলোকে সকলো কৌশল কৰে, আৰু ক্ষমতা হাতত ৰাখিবলৈকে তেওঁলোকে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাৰ পূজা পাতে। আমি কিয় পাতোঁ? সেই শক্তিৰ অধিকাৰী হ'বলৈ বিচৰাটো ৰাইজৰ চিৰদিনীয়া হাবিয়াস বাবেই শক্তিৰ উপাসনা সদায়ে ৰাইজৰো। ❑

# আফ্ৰো-আমেৰিকাৰ নাৰী ঃ তেওঁলোকৰ অস্তিত্ববাদী আন্দোলন

মূল (বাংলা) ঃ মুকুল সেনগুপ্ত
অনুবাদ আৰু সংক্ষিপ্তকৰণ ঃ সাবিত্ৰী শইকীয়া বৰুৱা

আমেৰিকাৰ কৃষ্ণা নাৰীসকলৰ সংগ্ৰামৰ ইতিহাস, আমেৰিকাৰ সংস্কৃতিৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ সংযোজনা । এই সংগ্ৰাম তেওঁলোকৰ অস্তিত্ব আৰু অধিকাৰ ৰক্ষাৰ সংগ্ৰাম। তেওঁলোকৰ এই আন্দোলন, যাক নাৰীবাদী আন্দোলনৰ এটি ভিন্ন ইতিহাস আৰু পৰ্যায় বুলি গণ্য কৰা হয় সেয়া অতি জটিল পটভূমিৰ পৰা উদ্ভূত। কৃষ্ণা নাৰীসকলৰ অস্তিত্বৰ এই অভিনৱ সংগ্ৰামক বুজিবলৈ হ'লে আমি কেইটামান শতাব্দী বিস্তাৰিত এক বিশাল ঐতিহাসিক বাতাবৰণৰ মুখামুখি হৈ থিয় দিব লাগিব। স্বাভাৱিকভাৱেই এই আলোচনাৰ মাজত আহি পৰিব আমেৰিকাৰ ক্ৰীতদাস বেপাৰৰ ইতিহাস, ক্ৰীতদাস বিদ্ৰোহ আৰু ক্ৰীতদাস ব্যৱসায়ৰ উৎখাতৰ বাবে হোৱা আন্দোলনৰ ইতিহাস, আমেৰিকাৰ নাৰীবাদী আন্দোলনৰ সূত্ৰপাতৰ ইতিহাস। কৃষ্ণা নাৰীৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনে আমেৰিকাৰ ক্ৰীতদাস ব্যৱসায়ৰ ইতিহাসক নতুন আৰু ভিন্নৰূপে উপস্থাপিত কৰে। সপ্তদশ শতিকাতে ক্ৰীতদাস ব্যৱসায়ৰ সূত্ৰপাতৰ লগে লগে আফ্ৰিকাৰ ক্ৰীতদাস আৰু ক্ৰীতদাসীৰ অৱদমন আৰু নিষ্পেষণৰ যি ইতিহাস তাক আমেৰিকাৰ ধনতান্ত্ৰিক, শ্বেতাংগ সভ্যতাই অৱদমিত আৰু বিকৃত ৰূপে উপস্থাপিত কৰিছিল। কৃষ্ণা নাৰীৰ অধিকাৰ ৰক্ষাৰ আন্দোলনৰ আৰম্ভ হ'ল সেইদিনাৰ পৰা, যিদিনা তেওঁলোকে এই বিকৃত, অসত্য ইতিহাসৰ অৱদমনৰ পৰা মূৰ তুলিলে। এই সংগ্ৰাম নীৰৱে, নিঃশব্দে আৰম্ভ হৈছিল তেওঁলোকৰ ক্ৰীতদাসী জীৱনৰ আৰম্ভণৰ পৰাই, ক্ৰীতদাস ব্যৱসায় উচ্ছেদৰ আন্দোলনো সেই কৃষ্ণ পুৰুষ আৰু সচেতন শ্বেতাংগ নাৰীৰ ওচৰে ওচৰে আছিল, তথাপি ইতিহাসৰ ক্ৰমপৰ্যায়ত এসময়ত বৰ্ণবৈষম্য বিৰোধী আন্দোলন আৰু শ্বেতাংগ নাৰীৰ নাৰীবাদ আন্দোলনৰ পৰা নিজকে পৃথক কৰি নিয়া হয় । তাৰ বিচিত্ৰ আৰু গূঢ়তৰ কাৰণবোৰ সেই সংগ্ৰামৰ ইতিহাসৰ মাজতেই নিহিত । বৰ্তমান আলোচনাত সেই বিচিত্ৰ অৱস্থাবেই অনুপুঙ্খ বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে । এই আন্দোলনৰ সূত্ৰপাত কৃষ্ণানাৰীৰ নতুন ইতিহাসৰ সূচনাৰ পৰ্যায়ৰপৰাই । সত্তৰ দশকত আমেৰিকাৰ নাৰীবাদী আন্দোলনৰ ইতিহাসত এটি নতুন পৰ্যায়ৰ সূচনা কৰিলে কৃষ্ণা নাৰীসকলে। তেওঁলোকৰ অস্তিত্বৰ অধিকাৰ ৰক্ষাৰ আন্দোলনক তেওঁলোকে বেলেগে নামাকৰণ কৰিলে। তথাকথিত 'ফেমিনিজিম' বা নাৰীবাদী আন্দোলনক তেওঁলোকে বৰ্ণবৈষম্যবাদী বুলি ঘোষণা কৰিবলৈও কুণ্ঠিত নহ'ল। এই নতুন ইতিহাসৰ প্ৰেক্ষাপট উপনিৱেশবাদৰ জটিল আৰু পৰস্পৰ সংযুক্ত ঐতিহাসিকতাৰ মাজত নিহিত।

> বৰ্ণবৈষম্য, লিংগবৈষম্য আৰু শ্ৰেণীবৈষম্য এই তিনিটি বিষয়ে গুৰুত্ব পাইছে তেওঁৰ ৰচনাত। টনিৰ অত্যন্ত জটিল নান্দনিক প্ৰকাশভংগী আপাত দৃষ্টিত পৰস্পৰ বিৰোধী, প্ৰতীকী ৰহস্যময়। তেওঁৰ ৰচনাত বাৰে বাৰে আফ্ৰো-আমেৰিকান সম্প্ৰদায়ৰ সংগীত, কথা-সাহিত্য, লৌকিক উপকথাৰ ওপৰত জোৰ দিছে। তেওঁৰ বিখ্যাত উপন্যাস The Bluest Eye'ত তেওঁ প্ৰচলিত 'নাৰ্চাৰী টেল'ৰ পৰিকাঠামোক যতিচিহ্নৰ বাহিৰে ব্যৱহাৰ কৰিছে।

আমেৰিকাৰ কৃষ্ণা নাৰীয়ে নিজৰ অভিজ্ঞতাক নিজৰ ভাষাত প্ৰকাশৰ বাবে তেওঁলোকৰ স্বতন্ত্ৰ আন্দোলনৰ নামাকৰণ কৰিলে 'ৱমেনিষ্ট' । 'ৱমেনিষ্ট' শব্দটো আহিছে মূল আফ্ৰিকাৰ কথ্য ভাষা 'ৱমেনিছ'(Womanish) ৰ পৰা। প্ৰখ্যাত আফ্ৰো-আমেৰিকান লিখিকা এলিচ্ ওৱাকাৰে কৃষ্ণা নাৰীৰ অস্তিত্বৰ স্বাতন্ত্ৰ ঘোষণাৰ উদ্দেশ্যে এই নামাকৰণটি কৰে। ৭০ ৰ দশকত এই 'ৱমেনিষ্ট' আন্দোলনে শক্তি অৰ্জন কৰিবলৈ আৰম্ভ কৰে। প্ৰখ্যাত সমাজতত্ত্ববিদ, ৰাজনীতিজ্ঞ, নাৰীবাদী আন্দোলনৰ সক্ৰিয় কৰ্মী, লিখিকা এঞ্জেলা ডেভিছে এই নৱজাগৰণক আমেৰিকাৰ নাৰীবাদী আন্দোলনৰ এটি অত্যন্ত গুৰুত্বপূৰ্ণ অধ্যায় বুলি বৰ্ণনা কৰিছিল। তেওঁৰ নিজৰ ভাষাত ৭০ৰ দশকৰ কৃষ্ণা নাৰীৰ এই নৱজাগৰণ এক অৰ্থত 'ফেমিনিজিমৰ তৃতীয় পৰ্ব' বা তৃতীয় তৰংগ।

কৃষ্ণা নাৰীৰ এই অধিকাৰ ৰক্ষাৰ আন্দোলনক প্ৰধানতঃ তিনিটা পৰ্যায়ত চিহ্নিত কৰা হয়। নিজৰ এই সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু ৰাজনৈতিক অৱদমনক তেওঁলোকে 'ত্ৰিগুণ অৱদমন' আখ্যা দিছিল। তেওঁলোকৰ শোষণক তেওঁলোকে প্ৰধানতঃ শ্ৰেণী বৈষম্য, বৰ্ণ বৈষম্য আৰু লিংগ বৈষম্য এই তিনিটা প্ৰধান ক্ষেত্ৰত চিহ্নিত কৰিছে। ক্ষেত্ৰবোৰ অৱশ্যে বিচ্ছিন্ন বা বিযুক্ত নহয়- এটি জটিল অনুসঙ্গত সিবোৰ পৰস্পৰ সংযুক্ত আৰু সম্পৰ্কিত। এই শোষণ প্ৰসংগতে প্ৰখ্যাত আফ্ৰো-আমেৰিকাৰ লিখিকা বাৰবাৰা স্মিথে কৈছে- শ্ৰেণী, লিংগ আৰু বৰ্ণবাদৰ জঁট লগা ব্যৱস্থা বুলি। এই সঠিক চিহ্নিতকৰণৰ মাজতে সূত্ৰপাত হৈছে কৃষ্ণা নাৰীৰ বিদ্ৰোহ আৰু সৰৱ প্ৰতিবাদৰ।

আফ্ৰো-আমেৰিকাৰ নাৰী শতাব্দীৰ

পিছত শতাব্দী ব্যাপী তেওঁলোকৰ অৱলুপ্ত বঞ্চনাৰ ইতিহাসৰ আৱিষ্কাৰত সচেষ্ট হয় - এই প্ৰক্ৰিয়াৰ মাধ্যমত তেওঁলোকে অতীত ইতিহাসৰ অভিসন্ধিমূলক আৰু বৰ্ণ আৰু লিংগ বৈষম্যবাদী বিকৃতিকো আৱিষ্কাৰ কৰে। বিভিন্ন ঐতিহাসিক তথ্যৰ মাধ্যমত ধাৰাবাহিকভাৱে কৃষ্ণা নাৰীৰ ঐতিহাসিকতা অস্বীকাৰ কৰাৰ এটি প্ৰচেষ্টা চলিছিল, সৃষ্টি হৈছিল বিবিধ চিত্ৰকল্প, ৰূপকল্প আৰু ধাৰণাৰ। প্ৰকৃত সত্যক তাৰেই আৱৰণে অৱলুপ্ত কৰাৰ উপক্ৰম হৈছিল। প্ৰচলিত চিত্ৰকল্পবোৰ যেনে ব্লেকমামী, আমাজ'ন, ছেফাৰিছ আদি ইতিহাসৰ বিবিধ পৰ্যায়ত আমেৰিকা কৃষ্ণা নাৰীৰ সংগ্ৰামৰ সত্যক অৱলুপ্ত কৰাৰ এক সচেতন ঐতিহাসিক প্ৰচেষ্টা এইটো। ইয়াক এটা অৰ্থত ইতিহাসৰ বিকৃতকৰণো বোলা হয়। আফ্ৰো-আমেৰিকান লিখিকা বাববাৰা স্মিথে তেওঁৰ 'হ'ম গাৰ্লছ' গ্ৰন্থত এই বৰ্ণ আৰু লিংগ বৈষম্যবাদী চিত্ৰকল্পবোৰৰ ব্যাখ্যা কৰিছে। তেওঁৰ মতে কৃষ্ণা নাৰীৰ অত্যাচাৰ আৰু অন্যায়ৰ বিৰুদ্ধে নিৰন্তৰ সংগ্ৰামৰ অৰ্থ এইটো নহয় যে তেওঁলোক স্বাধীন আৰু মাতৃতান্ত্ৰিক। ক্ৰীতদাস প্ৰথাৰ ইতিহাসত কৃষ্ণা নাৰী যৌন-শোষণ, ধনতান্ত্ৰিক ব্যৱস্থাৰ উৎপাদনৰ অবিচ্ছেদ্য অংশ আছিল। ইয়াত কৃষ্ণা নাৰীৰ পক্ষে অবৈধ জাৰজ সন্তানৰ জন্ম দিয়াটো আছিল ক্ৰীতদাস ব্যৱস্থাত উৎপাদনৰ এটি অত্যন্ত গুৰুত্বপূৰ্ণ পৰ্যায়। কৃষ্ণা নাৰীয়ে তেওঁৰ যৌনতাৰ ৰূপকল্পৰপৰা ওলাই অহাৰ বাবে এই ব্যৱস্থাত এক অবিৰাম সংগ্ৰাম চলাইছিল। এই সংগ্ৰাম আজিও আমেৰিকাৰ বৰ্ণ বৈষম্য আৰু লিংগ বৈষম্যবাদী ধনতান্ত্ৰিক সমাজত অব্যাহত।

বিভিন্ন ঐতিহাসিক আৰু সমাজতত্ত্ববিদে আফ্ৰিকাৰ ক্ৰীত দাসীৰ অস্তিত্বৰ স্বৰূপকে তেওঁলোকৰ ইতিহাসত অস্বীকাৰ কৰিছে, প্ৰয়োজনত অৱহেলিত আৰু বিকৃত কৰি উপস্থাপিত কৰিছে। কোনো কোনো ক্ষেত্ৰত আফ্ৰো-আমেৰিকান ঐতিহাসিক সকলেও যেতিয়া ক্ৰীতদাস প্ৰথাৰ ইতিহাসৰ পুনৰুদ্‌ঘাটন কৰিবলৈ বিচাৰিছিল তেতিয়াও পুৰুষতান্ত্ৰিকতাৰ সংস্কাৰে ক্ৰীতদাসীৰ জীৱনৰ অৱদমন - যি শ্ৰেণী বৈষম্য, বৰ্ণ বৈষম্য, সৰ্বোপৰি যৌন বৈষম্যৰ এক গভীৰ অন্ধকাৰত অৱলুপ্ত তাক অনায়াসে তেওঁলোকৰ লুপ্ত ইতিহাসৰ পুনৰুদ্ধাৰৰ পৰ্যায়ত অৱহেলা কৰিছিল। এই পুনৰ নিৰ্মাণৰ কামটি মূলতঃ ৭০ৰ দশকৰ আফ্ৰো-আমেৰিকান নাৰীৰ অস্তিত্বৰ পুণৰ্জীৱনৰ যুদ্ধলৈ পৰ্যবসিত হয়। আফ্ৰো-আমেৰিকান লিখিকা এলিচ ওৱাকাৰে তেওঁৰ বিখ্যাত ৰচনা সংকলন 'ইন্ ছাৰ্চ অৱ আৱাৰ মাডাৰ্ছ গাৰ্ডেন'ত ৭০ৰ দশকত আফ্ৰো-আমেৰিকান নাৰীৰ পূৰ্বসূৰীৰ অস্তিত্বৰ ঐতিহাসিক অনুসন্ধানৰ কথাই কৈছে। ৭০ৰ দশকত বহু বিখ্যাত আফ্ৰো-আমেৰিকা লিখিকা - বিশেষকৈ ফ্ৰান্সিছ এম বিল, এঞ্জেলা ডেভিছ, বাৰবাৰা স্মিথ আৰু অৱশ্যেই এলিচ ওৱাকাৰ আৰু টনি মৰিছনে অতীতৰ অৱলুপ্তিৰপৰা কৃষ্ণা নাৰীৰ ইতিহাসৰ পুৰ্ণজীৱনৰ প্ৰতি আলোকপাত কৰিবলৈ বিচাৰিছিল। এই প্ৰসংগত এঞ্জেলা ডেভিছৰ ভূমিকা উল্লেখযোগ্য। গৱেষণামূলক পদ্ধতিৰে তেওঁ ক্ৰীতদাসৰ জীৱনৰ যি ঐতিহাসিক সত্যতা পুনৰুদ্ধাৰ কৰিছিল তাত ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত শ্ৰমিকৰ ভূমিকাই আছিল বিশেষ গুৰুত্বপূৰ্ণ। ক্ৰীতদাস ব্যৱসায়ৰ তেওঁ এজন দক্ষ আৰু পৰিশ্ৰমী শ্ৰমিক - একেলগে তেওঁৰ প্ৰজনন ক্ষমতা আৰু ধনতান্ত্ৰিক ব্যৱস্থাৰ উৎপাদনৰ কামত লগোৱা হয়। ৰাতিপুৱাৰপৰা গভীৰ নিশালৈ পুৰুষ ক্ৰীতদাসৰ লগত ভৰিত ভৰি মিলাই, অমানুষিক পৰিশ্ৰমেৰে মূৰৰ ঘাম ভৰিত পেলাবলগীয়া হৈছে - তাৰ লগে লগে তেওঁৰ ওপৰত আছিল ক্ৰীতদাস প্ৰজননৰ বৰ্দ্ধিত বোজা-য'ত বগা চাহাবে তেওঁৰ প্ৰজনন ক্ষমতাক, তেওঁৰ যৌনতাক, তেওঁৰ শৰীৰৰ ব্যৱসায় আৰু নিজৰ যৌনক্ষুধা নিবৃত্তিৰ কামত ব্যৱহাৰ কৰিছে। আমেৰিকাৰ বিকাশৰ ইতিহাসত বহু কঠিন শ্ৰমশীল কৰ্মত অংশীদাৰ হৈছে তেওঁলোক। ঊনৈশ শতিকাৰ ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত শ্বেতনাৰীৰ ভূমিকা আছিল আদৰ্শ মাতৃ আৰু গৃহিণী। এই মূল্যবোধৰ পৰিপ্ৰেক্ষিতত ক্ৰীতদাসীৰ জীৱন আছিল একেবাৰে ভিন্ন। প্ৰতিনিয়ত তেওঁক অৱদমন আৰু শোষণ'ৰ এক জটিল শিকলিৰে বান্ধি ৰাখি ৰখা হয়। ইতিহাসৰ অভিসন্ধিমূলক বিকৃতিৰ কাৰণে ক্ৰীতদাসীৰ নিপীড়িত জীৱনৰ ওপৰত তথাকথিত আদৰ্শ নাৰীৰ ৰূপকল্পক চেপি ৰখা হৈছিল আৰু তাৰেই পৰিপ্ৰেক্ষিতত ক্ৰীতদাসীৰ যৌন শোষণক তাৰ ভাৱমূৰ্তিৰ বিকৃতিৰ কামত লগোৱা হৈছিল। সেয়ে আমেৰিকাৰ ধনতান্ত্ৰিক সভ্যতাত সেয়া আছিল পতিতা আৰু যৌনইচ্ছাৰ ক্ৰীড়নক।

আফ্ৰো-আমেৰিকাৰ লিখিকা এঞ্জেলা ডেভিছ আৰু ফ্ৰান্সিছ এম বিল উভয়ে ক্ৰীতদাসীৰ এই অতীতৰ অন্ধকাৰ আৱৰণৰপৰা মুক্তিৰ আৰু তেওঁলোকৰ জীৱনৰ ঐতিহাসিক সত্যতাৰ ভিত্তি বিচাৰিছে। ক্ৰীতদাসীৰ প্ৰধান পৰিচয় হ'ল তেওঁ শ্ৰমিক শ্ৰেণীৰ এক সক্ৰিয় অংশীদাৰ। ক্ৰীতদাস প্ৰথাৰ উচ্ছেদৰ মাধ্যমত এটি দীৰ্ঘদিনৰ অমানৱিক বৰ্বৰ প্ৰথাৰ উচ্ছেদ হয় নিঃসন্দেহে - কিন্তু কৃষ্ণা নাৰীৰ অবাঞ্চিত স্বাধীনতা বাস্তৱ ক্ষেত্ৰত নতুন স্তৰৰ শোষণত পৰ্যুদস্ত হয়। ৭০ৰ দশকত কৃষ্ণা নাৰীৰ পুনৰুত্থান এটি ঐতিহাসিক ক্ৰমবিৱৰ্তন-ক্ৰীতদাসী শ্ৰমিকৰপৰা ইতিহাসৰ বিভিন্ন পৰ্যায়ত যি সমাজত কায়িক শ্ৰমৰ কঠোৰ শ্ৰমসাধ্য কামবোৰ সম্পন্ন কৰি থাকে আৰু একেলগে বৰ্ণবৈষম্য আৰু লিংগবৈষম্যৰ শোষণতো আৱদ্ধ হয়। ইতিহাসৰ পৰৱৰ্তী পৰ্যায়ত স্বাধীন কৃষ্ণা নাৰীৰ কঠোৰ পৰিশ্ৰম, অধ্যৱসায়, আত্মবিশ্বাস, সাহস, সংগ্ৰাম আৰু সমঅধিকাৰৰ যুদ্ধ তেওঁ অৰ্জন কৰিছিল উত্তৰাধিকাৰসূত্ৰে। তেওঁলোকৰ ক্ৰীতদাসীৰ জীৱনৰ ইতিহাসৰ পূৰ্ণজীৱন সেয়ে এক অৰ্থত স্বাধীন কৃষ্ণা নাৰীৰ জীৱন-দৰ্শন আৰু জীৱন-ভাৱনাৰ মূল ভিত্তি। সেয়ে ক্ৰীতদাসীৰ পৰ্যায়ত কৃষ্ণা নাৰীৰ জীৱন-সংগ্ৰাম তেওঁলোকৰ পৰৱৰ্তী স্বাধীন জীৱন-সংগ্ৰামৰ বাবে এক ঐতিহাসিক ঐতিহ্যৰ পৰিমণ্ডল সৃষ্টি কৰিছিল। পৰৱৰ্তী ইতিহাসৰ বহুমুখী সংগ্ৰামত কৃষ্ণ মানুহৰ অত্যাচাৰৰ ভিন ভিন পৰ্যায়ত নব্য-সামন্ততান্ত্ৰিকতা, আফ্ৰো-আমেৰিকা সম্প্ৰদায়ৰ আধিয়াৰ জীৱনৰ দাসত্ব, নাগৰিক অধিকাৰৰ দাবীত আন্দোলন, আফ্ৰিকান জাতীয়তাবাদী আন্দোলন, ব্লেক মুছলিম, ব্লেক পেন্থাৰ আন্দোলন আৰু অন্যান্য স্বাধীনতা আন্দোলন, প্ৰথম বিশ্বযুদ্ধ, দ্বিতীয় বিশ্বযুদ্ধপ্ৰসূত মন্দাৱস্থা তথা চৰম অৰ্থনৈতিক সংকটৰ কাৰণে আন্দোলন অনুপ্ৰৱেশ আদি বিভিন্ন ক্ষেত্ৰত ক'লা নাৰীয়ে তেওঁৰ সাহস আৰু সংগ্ৰামৰ ইতিহাসক ৰক্ষা কৰি গৈছে। এই প্ৰসংগত প্ৰখ্যাত আফ্ৰো-আমেৰিকান ৰমণী ছ'জাৰ্ণাৰ ট্ৰুথ, হাৰিয়েট টাবমেন, ফ্ৰান্সিছ হাৰপাৰ, ইডা বি ওৱেলছ, বোজা পাৰ্ক এওঁলোকৰ নাম শ্ৰদ্ধাৰে উল্লেখ কৰিব পাৰি।

আফ্ৰো-আমেৰিকান লেখিকা বাৰবাৰা স্মিথে বাৰম্বাৰ শ্বেত আৰু বৰ্ণবৈষম্যবাদী সভ্যতাৰদ্বাৰা আৰোপিত উপ-কথাবোৰৰ বিৰুদ্ধে সচেতন মানুহক সজাগ কৰিবলৈ বিচাৰিছিল। ক'লানাৰীৰ স্বাধীনতা যুঁজৰ অৰ্থ এই নহয় যে ই স্বাধীন আৰু মাতৃতান্ত্ৰিক।

বৰ্ণবৈষম্য আৰু যৌনবৈষম্যবাদ উভয়ৰে বিৰুদ্ধে যুঁজ একান্ত প্ৰয়োজন, এটিৰ যুঁজ আনটিৰ পৰিপূৰক হ'ব নোৱাৰে। ক'লানাৰী কেৱল যৌনতাৰ দাসানুদাস নহয়। তেওঁ স্বাধীন, সচেতন আৰু এজন পৰিপূৰ্ণ মানুহ। ক'লানাৰীৰ আন্দোলনৰ অৰ্থই সমকামিতা নহয়, যদিও সমকামিতাৰ অধিকাৰ ক'লানাৰীৰ আন্দোলনৰ এক অতি গুৰুত্বপূৰ্ণ পৰ্যায়। ক'লা নাৰীৰ সংগ্ৰাম আৰু শক্তি আফ্ৰো-আমেৰিকান পুৰুষৰ হীনমন্যতা আৰু হতাশাৰ বাবে দায়ী নহয়। প্ৰকৃত দায়িত্ব ধনতান্ত্ৰিক সভ্যতাৰ বৰ্ণবৈষম্যবাদী সামাজিক পৰিস্থিতি। বাৰবাৰা স্মিথে সেয়ে বাৰে বাৰে এই আৰোপিত ভ্ৰান্ত ধাৰণাৰ মায়াজাল ফলা আফ্ৰো-আমেৰিকান নাৰীৰ সচেতন প্ৰতিবাদ সৰবতাৰে ঘোষণা কৰিছিল। এই সচেতন কণ্ঠ এক সংগ্ৰামী শ্ৰমিক নাৰীৰ। ইতিহাসৰ অন্তৰালত তাৰ অৱস্থিতিৰ প্ৰকৃত সত্যক তেওঁ পৰীক্ষা কৰি নিৰ্বলৈ বিচাৰে- মিত্ৰতা বিচাৰে আপামৰ বঞ্চিত, শোষিত, অৱহেলিত, বৰ্ণবৈষম্য আৰু লিংগবৈষম্যৰ জটিল অনুষঙ্গক ধ্বংস কৰে। প্ৰসংগক্ৰমে আফ্ৰো-আমেৰিকান লিখিকা বেল হুকছে শ্বেত নাৰীৰ 'ফেমিনিজিম'ক সমালোচনা কৰি যি উক্তি কৰিছিল সেয়া উল্লেখযোগ্য : 'ফেমিনিষ্ট আন্দোলন হ'ল এক শ্ৰেণী বৈষম্য আৰু বৰ্ণ বৈষম্যবাদী আন্দোলন, এটা মাত্ৰ লজ্জাজনক কথা, বস্তুবাদী পিতৃতান্ত্ৰিক সমাজৰ পিতৃতান্ত্ৰিক বিধিবোৰৰ ওচৰত নাৰীৰ নিৰৱচ্ছিন্ন দাসত্ব ঢাকি ৰখাৰ কৌশল আৰু স্থিতাৱস্থাক হতাশভাৱে কৰা আলিঙ্গন।'

১৮৫২ খ্ৰীষ্টাব্দত আমেৰিকাৰ অহিঅ'ত দ্বিতীয় নাৰী সন্মিলনত ছ'জাৰ্নাৰ ট্ৰুথে এই মূল প্ৰশ্নটি তুলি ধৰিছিল। তেওঁ ক'লা নাৰী, তথাপি কি তেওঁ নাৰী নহয় ? এই প্ৰশ্নত প্ৰমাণ সাপেক্ষ আমেৰিকাৰ বৰ্ণ বৈষম্যবাদী, ধনতান্ত্ৰিক, পুৰুষতান্ত্ৰিক শ্বেত সমাজৰ সন্মুখত সেই সন্মিলনৰ চোতালতে সাহসী ছ'জাৰ্নাৰ ট্ৰুথে উন্মুক্ত কৰিছিল তেওঁৰ বক্ষ। অনায়াসে নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ প্ৰৱল ৰাজনৈতিক তাৎপৰ্যক তেওঁ তুলি ধৰিছিল। নাৰী হৈও তেওঁ ক্ৰীতদাসীৰূপে পুৰুষৰ শ্ৰমৰ সমান অংশীদাৰ আছিল। নিৰ্যাতন, অত্যাচাৰ, ধৰ্ষণৰ চিকাৰ আছিল। তেওঁৰ নাৰী সচেতনতা এই ঐতিহাসিক বিৱৰ্তনৰপৰাই উত্থিত, সেয়ে ইমান সজীৱ আৰু চকুত লগা, কেতিয়াও শ্বেত নাৰীৰ লিংগ বৈষম্য অভিজ্ঞতা সমীকৰণ নহয়। তেওঁৰ এই ভিন্ন স্বাতন্ত্ৰ্য দাবীয়ে তেওঁক নতুনতৰ আন্দোলন অভিমুখে পৰিচালিত কৰিছে। পঞ্চাছ আৰু ষাঠিৰ দশকত অন্তঃসলিলা ফল্গুৰ দৰে ক'লা নাৰীৰ সচেতনতাই ক্ৰমশঃ প্ৰকাশৰ পথ বিচাৰি ষাঠিৰ দশকত আমেৰিকাৰ দ্বিতীয় নাৰীবাদৰ আন্দোলন তাৰ ভিতৰৰ স্ববিৰোধ- এফালে নাৰীৰ অধিকাৰ -আনফালে তাৰ স্বাৰ্থ চিন্তা, ক'লা পুৰুষৰ ভোটাধিকাৰ অস্বীকাৰ, ক'লা নাৰীত অস্তিত্বৰ উপেক্ষা আৰু নতুনকৈ তথাকথিত গতানুগতিক আদৰ্শ নাৰী হোৱাৰ প্ৰচেষ্টা-এই বিবিধ জটিলতাৰ বাবেই ব্যৰ্থতাত পৰ্যবসিত হয়। এই ঐতিহাসিক পটভূমিত ৭০ৰ দশকত ক'লা নাৰীয়ে এক নতুনতৰ নাৰীবাদী আন্দোলনৰ ক্ষেত্ৰ প্ৰস্তুত কৰে।

কৃষ্ণানাৰী আন্দোলনৰ ঐতিহাসিক তাৎপৰ্যৰ অনুসন্ধান পৰ্বৰ এক গুৰুত্বপূৰ্ণ পৰ্যায় হ'ল তেওঁৰ অস্তিত্বৰ নতুনতৰ ব্যাখ্যা আৰু নামাকৰণ। উপনিবেশবাদৰ অনুষংগত ক'লা নাৰীয়ে তেওঁৰ জটিল অভিজ্ঞতাৰ সংজ্ঞা নিৰূপণত এক নতুন ভাষাৰ সন্ধান কৰে। ক'লা নাৰীৰ অধিকাৰ ৰক্ষাৰ আন্দোলনৰ ক্ষেত্ৰত 'ওৱেনিছ' তথা 'ওমোনিষ্ট' শব্দটি প্ৰথম বিশেষ অৰ্থত চয়ন আৰু ব্যৱহাৰ কৰে এলিছ ওৱাকাৰে।

'ৱমেনিষ্ট' আৰু 'ৱমেনিজিম' শব্দ দুটিৰ উৎপত্তি ক'লা আমেৰিকাৰ কথ্য আৰু মাটিৰ ভাষা 'ওৱমেনিছ'ৰপৰা হৈছে। ক'লা নাৰীৰ 'ৱমেনিষ্ট আন্দোলনৰ অৰ্থ নতুন শব্দৰ চয়ন একাৰ্থত তেওঁলোকৰ মতে শ্বেতাংগ বৰ্ণবিদ্বেষী আৰু সাম্ৰাজ্যবাদী মনোভাৱাপন্ন নাৰীবাদক প্ৰত্যাখ্যান কৰা। একেলগে 'ৱমেনিছ' শব্দটিৰ দ্যোতনাই নাৰীবাদ আৰু সমকামী নাৰীবাদৰ মাজৰ বিভেদ গুচাই দিয়ে।

.... এই নতুনতম নামকৰণৰ পৰ্যায়ত ক'লা নাৰীৰ বিবিধ অভিজ্ঞতাৰ প্ৰতিফলন হয় সাহিত্য, সমালোচনা, আত্মজীৱনী আৰু সমাজতাত্ত্বিক তথা ৰাজনৈতিক ৰচনাত। ক'লা নাৰীৰ বিদ্ৰোহী, চৰমপন্থী ৰচনা পুৰুষতান্ত্ৰিক, বৰ্ণ বৈষম্যবাদী, শ্বেত সভ্যতাৰ বিৰুদ্ধে তেওঁলোকৰ প্ৰতিবাদী আন্দোলনৰ অংশবিশেষ। আফ্ৰো-আমেৰিকান লিখিকা আৰু সমালোচকসকলৰ এক অংশই ক'লা নাৰীৰ প্ৰতিবাদী আন্দোলনৰ সক্ৰিয় কৰ্মী।

আন্দোলনৰ অন্যান্য ক্ষেত্ৰৰ দৰেই ইয়াতো ক'লা নাৰীৰ পুৰুষতান্ত্ৰিক আৰু বৰ্ণ বৈষম্যবাদী অৱদমনৰ চিকাৰ। ১৯২০ চনৰ নব্য নিগ্ৰো বা হাৰ্লেম ৰেনেছাঁ (Harlem Renaissance) আন্দোলনৰ পৰ্যায়ৰ মূলতঃ ক'লাপুৰুষ লিখকসকলৰ ভূমিকা আছিল অগ্ৰগণ্য বিশিষ্ট। আফ্ৰো-আমেৰিকান লিখিকা - এফিলি নিউছ'ম, জিঅ'লিন ড'গ্লাছ জনছন, এনি স্পেন্সাৰ, এলিচ ডেনকাৰ, নেলছন, নেল্লা লাৰ্ছেন, জেছি ফ'ছেট ডৰথী ৱেষ্ট, হেলেন জনছন আৰু অন্যান্যসকলৰ ঐতিহাসিক আৰু স্বতন্ত্ৰ ভূমিকা অস্বীকাৰ কৰা হয়। ষাঠিৰ দশকত যেতিয়া ৰিচাৰ্ড ৰাইটৰ 'নেটিভ ছন' খ্যাতিৰ তুঙ্গত, পেট্ৰিৰ 'ষ্ট্ৰি ষ্ট্ৰীট' সকলোসময়তে ছপাখানাৰ বাহিৰত। প'ল মাৰ্চাল, ছাৰা ৰাইট, মাৰ্গাৰেট ৱাকাৰ এওঁলোকৰ ভাগ্যতো সেই একেই অৱহেলা আৰু নৈশব্দ্য। কেৱল মাত্ৰ গোয়েনডোলিন ব্ৰুকছে স্বীকৃতি পাইছিল, তথাপি তেওঁৰ সাহিত্য কীৰ্তিতকৈ ব্যক্তিগত জীৱনত তেওঁৰ আদৰ্শ নাৰী ভূমিকাই আছিল প্ৰোজ্জ্বল। ৭০ৰ দশতক ক'লা নাৰীৰ ঐকান্তিক প্ৰচেষ্টাত এই অৱহেলিত আৰু অন্ধকাৰত পৰ্যবসিত নাৰী সচেতনতা পূৰ্ণজীৱন হয়। জ'ৰা নীল হাৰষ্টনৰ দৰে লিখিকাৰ বিচিত্ৰ অভিজ্ঞতা আৰু বিচিত্ৰ ভাষাৰ পৰিপ্ৰেক্ষিততে ঐকান্তিক প্ৰযত্নত পুৰ্ণজীৱিত লাভ কৰে প্ৰখ্যাত আফ্ৰো--আমেৰিকান লিখিকা এলিচ ড্ৰেনকাৰে । ৭০ৰ দশকত সেই সচেতনতাৰেই নৱজাগৰণ ঘটিল। প্ৰখ্যাত আফ্ৰো-আমেৰিকান লিখিকা আৰু সমালোচক টনি বাৰবাৰাই তেওঁৰ 'দ্বি ব্লেক ৱমেন' নামৰ গ্ৰন্থ সংকলনত ঘোষণা কৰিছিল। ক'লা নাৰীয়ে পুৰুষতান্ত্ৰিক সমাজ আৰু ভাৰবাহী পশু অস্তিত্বৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে। এই গ্ৰন্থ সংকলনটিৰ প্ৰকাশনা এটি ঐতিহাসিক ঘটনা। আফ্ৰো-আমেৰিকান সাহিত্যত বৰ্ণ বৈষম্য আৰু লিংগ বৈষম্যৰ সমাপ্তি সূচিত হয় এই কিতাপখনৰ প্ৰকাশৰ মাধ্যমত। এইদৰে ৭০ৰ দশকত ক'লানাৰীৰ সৃষ্টিশীল ৰচনা তেওঁলোকৰ মততে বৈ থকা চৰমপন্থী নাৰীবাদী চেতনাৰ লগত লগ লাগি চলিছিল। এই সময়ৰ বিশিষ্ট আফ্ৰো-আমেৰিকান মহিলা লেখিকাসকল হ'ল অড্ৰি লৰ্ড, জুন জৰ্ডন, ৰাৰ্তামোক, স্মাৰ্ট, গ্ৰছৱেনৰ, ছাইনি কৰ্টেক, মায়া এঞ্জেল'ছ, এন শ্বকাৰ্চি, ছ'নিয়া আদি বহুত নতুন লিখিকাই এই সময়ত লেখাৰ জগতত প্ৰৱেশ কৰিলে। সত্তৰৰ দশকত আফ্ৰো-আমেৰিকান নাৰীয়ে যিদৰে সৰ্বশ্ৰেণীৰ পাঠকৰ ওচৰলৈ তেওঁলোকৰ বক্তব্য কঢ়িয়াব পাৰিছিল-একেলগে এটি বিশেষ শ্ৰেণীৰ

পাঠক বিশেষকৈ সমকামী কৃষ্ণা নাৰীৰ ৰচনাৰ অনুৰাগী আৰু উৎসাহী পাঠকৰো সৃষ্টি হ'ল। এফালে এলিচ ওৱাকাৰ আৰু টনি মৰিছনৰ দৰে সৰ্বজনপ্ৰিয় লিখিকাসকল-আনফালে স্ব-ঘোষিত সমকামী সাহিত্যিকসকল, পাঠকসমাজত ওচৰ চাপিবলৈ সফল হ'ল। এই সমস্ত ৰচনাৰ মূল ভিত্তি হ'ল তেওঁলোকৰ শ্ৰেণী বৈষম্য, বৰ্ণবৈষম্য আৰু লিংগবৈষম্য বিৰোধী প্ৰতিবাদী দৃষ্টিভংগী। সমালোচনামূলক আৰু আদৰ্শবাদী, সমাজতান্ত্ৰিক তথা বিশ্লেষণমূলক ৰচনাৰ মাধ্যমত কৃষ্ণানাৰীয়ে তেওঁলোকৰ ৰচনাৰ এক বিশেষ পটভূমি সৃষ্টি কৰিবলৈ সক্ষম হ'ল। সত্তৰৰ দশকত ফিলিচ হুইটলি, জ'ৰা নীল হাষ্টন, ডৰিথ ৱেষ্ট, প'ল মাৰ্চাল প্ৰভৃতি অতীতৰ লিখিকাসকলৰ নৱমূল্যায়ন আৰু পূৰ্নজীৱিত হ'ল। তেওঁলোকৰ বিখ্যাত কিতাপ 'বাট চাম অব আছ আৰ ব্ৰেভ'ত তথাকথিত পুৰুষকেন্দ্ৰিক সমাজবাদৰ শূন্য গৰ্ভতা আৰু ভিত্তিহীনতাৰ স্বৰূপ প্ৰকাশ কৰিবলৈ সক্ষম হ'ল। সেয়ে এক অৰ্থত এই সচেতনতাৰ আন্দোলন কেৱল সৃষ্টিশীল, কৃষ্ণানাৰীৰ আন্দোলনহে নহয়, আফ্ৰো-আমেৰিকান লিখিকাৰ সৰ্বব্যাপী-অস্তিত্ববাদী আন্দোলন।

এই প্ৰসংগত মই দুগৰাকী প্ৰখ্যাত আফ্ৰো-আমেৰিকান লিখিকা, এলিচ ওৱাকাৰ আৰু টনি মৰিছন, এওঁলোকৰ সৃষ্টিশীল আৰু প্ৰতিবাদী সাহিত্যভংগীৰ বিশেষভাৱে উল্লেখ কৰিব খুজিছোঁ। এলিচ ওৱাকাৰ আৰু টনি মৰিছন-উভয়ৰে দৃষ্টিভংগীকে নন্দনতত্ত্বৰ ভাষাত ডি-কনষ্ট্ৰাটিভ আৰু গঠনতন্ত্ৰ বিৰোধী বুলি ব্যাখ্যা কৰা যাব পাৰে, কাৰণ কৃষ্ণানাৰীৰ যন্ত্ৰণাৰ অভিনৱ সত্যক আৱিষ্কাৰৰ প্ৰচেষ্টাত তেওঁলোকে প্ৰচলিত তত্ত্বৰ বিৰোধিতা কৰিছে। সাহিত্যত তেওঁলোকে এটি নতুন ৰাজনৈতিক দৃষ্টিভংগীক তুলি ধৰিবলৈ বিচাৰিছে। একেলগে কৃষ্ণানাৰীৰ সচেতন সাহিত্য-ক'লা মানুহৰ সাহিত্যৰ নান্দনিক তত্ত্বত নতুনত্বৰ মাত্ৰা সংযোজন কৰিছে আৰু এবাৰ কৃষ্ণানাৰীৰ অন্তৰ্লীন চেতনা প্ৰৱাহৰ পৰিপ্ৰেক্ষিতত ক'লা মানুহৰ সাহিত্যৰ সীমাবদ্ধতা, পুৰুষতান্ত্ৰিকতা সৰ্বোপৰি কৃষ্ণা নাৰীৰ সচেতনতাৰ প্ৰয়াসক মচি পেলোৱাৰ প্ৰৱণতাক সমালোচনা কৰিছে। এই কাৰণেই এই দুই নাৰীৰ সাহিত্যত আমি একধৰণৰ বিৰোধিতা ভিন্ন অভিজ্ঞতা দ্বন্দ্ব আৰু সংগ্ৰামৰ ক্ষেত্ৰত লক্ষ্য কৰিব পাৰো।

এলিচ ওৱাকাৰে তেওঁৰ প্ৰখ্যাত ৰচনা 'ইন ছাৰ্চ অব আৱাৰ মাডাৰ গাৰ্ডেনছ'ত তেওঁৰ সৃষ্টিশীলতাৰ প্ৰেক্ষাপট তুলি ধৰিছে। তেওঁ কৈছে যে তেওঁ মূলত ঃ আফ্ৰো-আমেৰিকা সম্প্ৰদায়ৰ অস্তিত্বৰ তথা আত্মিক সংগ্ৰামৰ লগত যুক্ত,কিন্তু তেওঁৰ ৰচনাৰ বিশেষ পটভূমি অৱশ্যেই কৃষ্ণা নাৰী-তেওঁলোকৰ অৱদমন আৰু তাৰ ফলত সৃষ্টি হোৱা যন্ত্ৰণা, অসুস্থ আৰু ভাৰসাম্যহীন মানসিকতা, অনুভূতিৰ বিপৰ্য্যয়, তাৰ আনুগত্য আৰু সংগ্ৰাম।

এলিচ ওৱাকাৰে তেওঁৰ ৰচনাত আফ্ৰো-আমেৰিকাৰ নাৰীক মূলতঃ তিনিটা পৰ্য্যায়ত ভাগ কৰিছে- ছাছপেণ্ডেড ৱমেন, এছিমিলেটেড ৱমেন আৰু ইমাৰজেন্ট ৱমেন। প্ৰথম প্ৰজন্মৰ কথা তেওঁৰ বিখ্যাত ৰচনা সংকলনত কৈছে।তেওঁৰ মাতৃকুল আৰু পিতৃকুল আৰু তেওঁলোকৰ পূৰ্ব প্ৰজন্মৰ ইতিহাস আছিল বিক্ষিপ্ত,অৱলুপ্ত আৰু নীৰব। সেই নীৰৱতাৰ ইতিহাসক আধুনিক কৃষ্ণানাৰীয়ে তেওঁৰ সংগ্ৰামত চিন্তাধাৰাত সৃষ্টিশীল ৰচনাত তুলি ধৰিছে। একেলগে পৰৱৰ্তী প্ৰজন্মৰ কৃষ্ণানাৰীসকল যিসকল ক্ৰীতদাসপ্ৰথাৰ পৰা মুক্তি পায়ো সামাজিক, অৰ্থনৈতিক আৰু লিংগ বৈষম্যৰ বাবে অত্যাচাৰিত অথচ যিসকলৰ মুখৰ ভাষা, প্ৰতিৰোধ শক্তি এতিয়াও প্ৰস্তুত হোৱা নাই, তেওঁলোকৰ বিবিধ উপন্যাসত বিশেষকৈ, The third life of grange copeland তেওঁলোকে সেইসকলৰ কথা লিখিছে। পৰৱৰ্তী প্ৰজন্ম অৰ্থাৎ ৬০ ৰ দশকৰ পৰা যাৰ আৰম্ভণি -তেওঁলোকৰ বিবিধ আন্দোলন- চিভিল ৰাইটছ মভমেন্ট, ব্লেক পাৱাৰ, ডি মুছলিমছ, ডি পেন্থাৰছ ইত্যাদি জাতীয়তাবাদী আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে।এলিচ ওৱাকাৰৰ ভাষাত এওঁলোক আছিল ' ইমাৰজেন্ট ৱমেন'। 'ডি থাৰ্ড লাইফ অব গ্ৰেং উপন্যাসৰ কথ মেৰিডিয়ান ,এওঁলোক এই সচেতন নব্য কৃষ্ণা নাৰীৰে প্ৰতিনিধি। এই তৃতীয় প্ৰজন্মৰ নাৰীবাদ প্ৰসংগত তেওঁ কৈছে --' My women in the future will not grow themselves up, thats what I mean by coming to the end of a cycle and understanding something to the end of a cycle".

টনি মৰিছনে তেওঁৰ ৰচনাত প্ৰধানতঃ আমেৰিকাৰ নিগ্ৰো সম্প্ৰদায়ৰ জীৱনৰ যি চিত্ৰ আঁকিছে সি এটি নতুন দৃষ্টিভংগীৰ ব্যাখ্যা কৰিছে। ক'লা মানুহৰ গ্ৰাম্য আৰু দলবদ্ধ জীৱন তেওঁৰ পুৰাতন ঐতিহ্য আৰু সৰ্বোপৰি ক'লা মানুহৰ লোকসংস্কৃতি ,উপকথা আৰু পুৰণিৰ নতুন ব্যাখ্যাৰ মাধ্যমত তেওঁ প্ৰচলিত উপন্যাসৰ প্ৰকৰণ বিধিৰ নৱনিৰ্মাণ কৰিছে। একেলগে তেওঁ প্ৰচলিত নাৰীবাদী দৃষ্টিভংগীক প্ৰত্যাখ্যান কৰি আমেৰিকাৰ আফ্ৰো-আমেৰিকান সম্প্ৰদায়ৰ সামগ্ৰিক অস্তিত্বৰ প্ৰসংগ তুলিছে। আকৌ তাৰ লগে লগে তেওঁ যে কৃষ্ণানাৰীৰ বিশেষ চেতনা আৰু অভিজ্ঞতাৰ প্ৰতিভূ তাকো জনাবলৈ পাহৰা নাই।

মৰিছনৰ উপন্যাসৰ জটিল গঠনত আফ্ৰো-আমেৰিকান সম্প্ৰদায়ৰ অস্তিত্বৰ পৰস্পৰ সন্নিবদ্ধ বিষয়বোৰো তাৰ প্ৰকৃত পটভূমিত দাঙি ধৰা হৈছে। বৰ্ণবৈষম্য, লিংগবৈষম্য আৰু শ্ৰেণীবৈষম্য এই তিনিটি বিষয়ে গুৰুত্ব পাইছে তেওঁৰ ৰচনাত। টনিৰ অত্যন্ত জটিল নান্দনিক প্ৰকাশভংগী আপাত দৃষ্টিত পৰস্পৰ বিৰোধী, প্ৰতীকী ৰহস্যময়। তেওঁৰ ৰচনাত বাৰে বাৰে আফ্ৰো-আমেৰিকান সম্প্ৰদায়ৰ সংগীত, কথা-সাহিত্য, লৌকিক উপকথাৰ ওপৰত জোৰ দিছে। তেওঁৰ বিখ্যাত উপন্যাস 'The bluest Eye' ত তেওঁ প্ৰচলিত ' নাৰ্চৰী টেল' ৰ পৰিকাঠামোক যতিচিহ্নত বাদ দি ব্যৱহাৰ কৰিছে। উদ্দেশ্য শ্বেতাংগ সংস্কৃতিৰ আধিপত্যৰ অন্তৰালত থকা আফ্ৰো-আমেৰিকান সম্প্ৰদায়ৰ জীৱনক তুলি ধৰা ছুলা উপন্যাসৰ মূল কেন্দ্ৰীয় চৰিত্ৰ। ছুলা বৈপৰীত্য,বিশৃংখলা, খেয়াল আৰু ৰহস্যময়তাৰ প্ৰতীক। তেওঁৰ বিখ্যাত উপন্যাস 'বিলাভেড'ত তেওঁ আফ্ৰিকান ক্ৰীতদাসী মাৰ্গাৰেট গাৰ্ণাৰৰ ঐতিহাসিক কাহিনীৰ মাধ্যমত আফ্ৰো- আমেৰিকান নাৰীৰ যুগ যুগ ধৰি সঞ্চিত অৱদমন আৰু যন্ত্ৰণাক পুনৰুদ্ধাৰ কৰিছে।

আফ্ৰো-আমেৰিকাৰ নাৰীৰ সৃষ্টিশীলতাৰ সকলোতকৈ গুৰু বৈশিষ্ট্য আফ্ৰো-আমেৰিকান নাৰীৰ নৱচেতনাৰ উপস্থাপন আৰু পূৰ্নৰ্নিৰ্মাণ । কোনো নিৰ্দিষ্ট আৰু প্ৰতিষ্ঠিত নান্দনিক তত্ত্বৰ মাজত নিজকে আবদ্ধ নাৰাখি তেওঁলোকে আফ্ৰো-আমেৰিকান অভিজ্ঞতাৰ বহুধাবিভক্ত বিশৃংখলাৰ মূলত ঃ অনুসন্ধান কৰিছে আৰু আফ্ৰো-আমেৰিকান নাৰীৰ সচেতনতাৰ স্বৰূপটি তেওঁলোকৰ শিল্প মাধ্যমৰ মাজেৰেই তুলি ধৰিছে ।